**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-07-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

প্ৰায় ৩ সপ্তাহ জোৰা ৰোমাঞ্চকৰ খেল প্ৰতিযোগিতাৰ অন্তত আজি নিশা আকৰ্ষণীয় সামৰণি অনুষ্ঠানেৰে পেৰিছ অলিম্পিকৰ অন্ত পৰিব। সামৰণি অনুষ্ঠান ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত আৰম্ভ হ'ব। অনুষ্ঠানৰ সময়ত ষ্টেডিয়ামত ৮০ হাজাৰ দৰ্শক উপস্থিত থকাৰ সম্ভাৱনা আছে। সামৰণি অনুষ্ঠানত ২০২৮ চনত লজ এঞ্জেলছত হ'বলগীয়া পৰৱৰ্তী অলিম্পিক ক্ৰীড়া মহোৎসৱৰ আয়োজক কমিটীৰ হাতত অলিম্পিক পতাকা অৰ্পণ কৰা হ'ব।

ভাৰতে এইবাৰৰ অলিম্পিকত এটা ৰূপ আৰু ৫টা ব্ৰঞ্জসহ মুঠ ৬টা পদক লাভ কৰি ৭১ সংখ্যক স্থানত আছে। মনু ভাকৰে ব্ৰঞ্জৰ পদক হস্তগত কৰি এইবাৰৰ অলিম্পিকত দেশৰ হকে প্ৰথমটো পদক অৰ্জন কৰি ইতিহাস ৰচনা কৰে। ভাকৰ অলিম্পিকৰ শুটিঙত পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা। পাছত খেলুৱৈগৰাকীয়ে ছৰবজোৎ সিঙৰ সৈতে ১০ মিটাৰ এয়াৰ পিষ্টলৰ মিক্সড শাখাৰ দলীয় শিতানত আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰি অলিম্পিকৰ একেটা সংস্কৰণতে দুটাকৈ পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে ইতিহাসত নাম লিপিবদ্ধ কৰে। স্বপনীল কুশালেই শুটিঙত দেশৰ হকে তৃতীয়টো পদক জয় কৰে। ইয়াৰ পাছত ভাৰতীয় পুৰুষ হকী দলে চতুৰ্থটো ব্ৰঞ্জৰ পদক অৰ্জন কৰে। একেদৰে নীৰজ চোপ্ৰাই পুৰুষৰ জেভলিন থ্ৰ'ত ৰূপৰ পদক হস্তগত কৰে। ভাৰতৰ উদীয়মান খেলুৱৈ অমন ছেহৰাৱতে পুৰুষৰ মল্লযুদ্ধৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদক লাভ কৰি অলিম্পিকৰ পদক জয় কৰা দেশৰ কনিষ্ঠতম খেলুৱৈৰূপে পৰিগণতি হয়।

চীনে ৩৯টা সোণ, ২৭টা ৰূপ আৰু ২৪টা ব্ৰঞ্জসহ মুঠ ৯০টা পদকেৰে এইবাৰৰ অলিম্পিকৰ পদক তালিকাত শীৰ্ষ স্থান দখল কৰাৰ বিপৰীতে আমেৰিকা যুক্তৰাষ্ট্ৰই ৩৮টা সোণ, ৪২টা ৰূপ আৰু ৪২ টা ব্ৰঞ্জৰ পদককে ধৰি মুঠ ১২২টা পদকেৰে তালিকাৰ দ্বিতীয় স্থানত থাকে। অষ্ট্ৰেলিয়াই ১৮টা সোণ, ১৮টা ৰূপ আৰু ১৪টা ব্ৰঞ্জ সহ মুঠ ৫০টা পদকেৰে তৃতীয় স্থান দখল কৰিবলৈ সমৰ্থ হয়।

০০০০০০০০০

গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহালে আজি ঢেকীয়াজুলীৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ত ছাত্ৰীসকলক মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিৰ আবেদন প্ৰ-পত্ৰ বিতৰণ কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মাগদৰ্শনত অসম চৰকাৰে গ্ৰহণ কৰা এই অভিলাসী আঁচনিৰ জৰিয়তে ৰাজ্যৰ ১০ লাখ যুৱতীৰ সৱলীকৰণ সম্ভৱপৰ হৈ উঠিব বুলি শ্ৰী সিংহালে আশা প্ৰকাশ কৰে। তেওঁ কয় যে, নিযুত মইনা আঁচনিয়ে কন্যা সন্তানৰ শিক্ষাৰ ক্ষেত্ৰত আৰ্থিক বৰঙণি যোগোৱাৰ জৰিয়তে সমাজৰ পৰা বাল্য বিবাহৰ দৰে অশুভ পৰম্পৰাসমূহ আঁতৰ কৰাত সফল হ'ব।

আনহাতে তিনিচুকীয়া জিলাতো কেইবাখনো মহাবিদ্যালয়ত শ্ৰম মন্ত্ৰী সঞ্জয় কিষানে এই আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তিনিচুকীয়া মহাবিদ্যালয় আৰু তিনিচুকীয়া মহিলা মহাবিদ্যালয়কে ধৰি ছখন মহাবিদ্যালয়ত প্ৰ-পত্ৰ বিতৰণ কৰি মন্ত্ৰীগৰাকীয়ে আঁচনিখন ছাত্ৰীসকলৰ শিক্ষাৰ বাটৰ হেঙাৰ আঁতৰ কৰিবলৈ অসম চৰকাৰৰ এটা সুন্দৰ প্ৰচেষ্টা বুলি মত প্ৰকাশ কৰে।

০০০০০০

শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে আজি নৈনে, কামপুৰ আৰু বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে শিক্ষানুষ্ঠান কেইখনত ইতিবাচক শিক্ষণ পৰিৱেশ গঢ়িতোলাৰ উদ্দেশ্যে প্ৰয়োজনীয় সকলো সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰীগৰাকীয়ে অধ্যক্ষসকলৰ সৈতে আন্তঃগাঁথনি বিকাশ তথা কৰ্মচাৰী নিয়োগৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ সম্পৰ্কে আলোচনা কৰে।

000000

ডিব্ৰুগড় চৌকিদিঙিত আজি প্ৰয়াত সাংবাদিক নীলিম চৌধুৰী  ত্ৰয়োদশ বাৰ্ষিক সোঁৱৰণী সভা আৰু বঁটা বিতৰণি অনুষ্ঠাৰ আয়োজন কৰা হয়। সভাত অৰুণাচল প্ৰদেশৰ প্ৰাক্তন বছিৰাম ছিৰাম মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শ্ৰী চিৰামে অসম আৰু অৰুণাচলৰ মাজৰ সম্পৰ্ক সন্দৰ্ভত বক্তব্য প্ৰদান কৰি দুয়োখন ৰাজ্যৰ মাজৰ  সাহিত্য আৰ সাংস্কৃতিক আদান প্ৰদানৰ জৰিয়তেহে দুয়োখন ৰাজ্যৰ আন্তসম্পৰ্ক বৰ্তি থাকিব বুলি মন্তব্য কৰে। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতিয়ে সভাপতিত্ব কৰা সভাখনত জিলা আয়ুক্ত আৰু পৌৰ নিগমৰ মেয়ৰৰ লগতে প্ৰয়াত সাংবাদিকগৰাকীৰ পত্নী অধ্যাপক সুবাসনা মহন্ত চৌধুৰী উপস্থিত থাকে। সভাত তিনিচুকীয়াৰ সাংবাদিক জিতুল দত্তক ডিব্ৰুগড় প্ৰেছ ক্লাবে সাংবাদিক নীলিম চৌধুৰি সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদান কৰে।

000000000

শ্বেইখ হাছিনা নেতৃত্বাধীন চৰকাৰৰ পতনৰ পাছত বাংলাদেশত সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক দেশখনৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ নেতা মহম্মদ ইউনুছে গৰিহণা দিয়ে । এনেধৰণৰ ঘটনাক জঘন্য বুলি অভিহিত কৰি নবেল বঁটা বিজয়ী ইউনুছে প্ৰতিবাদত জড়িত থকা ছাত্ৰসকলক দেশখনত বাস কৰা  হিন্দু, খ্ৰীষ্টান আৰু বৌদ্ধ পৰিয়ালসমূহক সুৰক্ষা দিবলৈ আহ্বান জনায়।

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সচিব এণ্টনিঅ' গুটেৰেছৰ উপ মুখপাত্ৰ ফাৰহান হকেও দেশখনত সংখ্যালঘুৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক নিন্দা কৰি জাতি-ধৰ্ম বা যিকোনো বৈষম্যৰ ভিত্তিত হিংসাৰ বিৰোধিতা কৰে ।  হকে হিংসাৰ দ্বাৰা প্ৰভাৱিত হিন্দু আৰু অন্যান্য সংখ্যালঘুসকলক সহায় কৰিবলৈ ৰাষ্ট্ৰসংঘ সাজু হৈ থকা বুলিও  নিশ্চিতি প্ৰদান কৰে।

উল্লেখযোগ্য যে কালি দেশখনৰ সহস্ৰাধিক হিন্দু লোকে ৰাজধানী চহৰ ঢাকা আৰু উত্তৰ-পূব বন্দৰ চহৰ ছট্টগ্ৰামত একেৰাহে দ্বিতীয় দিনৰ বাবে বৃহৎ প্ৰতিবাদী কাৰ্যসূচী অনুষ্ঠিত কৰিছিল। সংখ্যালঘুৰ ওপৰত অত্যাচাৰ চলোৱাসকলৰ খৰতকীয়া বিচাৰ কৰাৰ বাবে বিশেষ ন্যায়াধীকৰণ গঠন, সংখ্যালঘুৰ বাবে ১০ শতাংশ সংসদীয় আসনৰ আৱণ্টন, সংখ্যালঘুৰ সুৰক্ষা আদি দাবী সম্বলিত প্ৰতিবাদী কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসহ সহস্ৰাধিক মুছলমান প্ৰতিবাদকাৰীয়েও সংখ্যালঘুৰ প্ৰতি সংহতি প্ৰদৰ্শন কৰি যোগদান কৰিছিল। ইফালে বাংলাদেশত সংখ্যালঘু হিন্দু আৰু অন্যান্য গোটক লক্ষ্য হিচাপে লৈ  শেহতীয়াকৈ সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ বিৰুদ্ধে ৱাশ্বিংটনৰ হোৱাইট হাউছৰ সন্মুখতো প্ৰতিবাদীকাৰীৰ এটা বৃহৎ দল সমবেত হয়।

000000000

**সমাপ্ত**